**3 (Sem–4/CBCS) ASM HC 3**

**2025**

**ASSAMESE**

(Honours Core)

Paper : ASM–HC–4036

***(Asomiya Gaddya Sahitya)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×১০=১০

(ক) ৰুক্মিণীৰ ককায়েকৰ নাম কি আছিল?

(খ) 'অৰ্জুন-ভঞ্জন' নাটকখনৰ আন এটা নাম কি?

(গ) কৰতী মন্ত্ৰ বুলিলে কি বুজা?

(ঘ) যুধিষ্ঠিৰে বজোৱা শংখটোৰ নাম কি আছিল?

(ঙ) ভট্টদেৱৰ জন্ম ক'ত হৈছিল?

(চ) গোপালচৰণ দ্বিজৰ 'শ্ৰীভক্তি-ৰত্নাকৰ কথা' গ্ৰন্থখনিৰ মূল কি?

(ছ) ৰঘুনাথ মহন্তৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ গ্ৰন্থখনৰ নাম কি?

(জ) 'শ্ৰীহস্তমুক্তাৱলী' কাৰ ৰচনা?

(ঝ) চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলিখন কোন শতিকাৰ?

(ঞ) বাঁহগড়ীয়া বুৰঞ্জী কোনে ৰচনা কৰিছিল?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত উল্লেখ থকা ৰুক্মিণীৰ *দুগৰাকী* সখীৰ নাম লিখা।

(খ) মাধৱদেৱৰ *দুখন* ঝুমুৰাৰ নাম লিখা।

(গ) শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন ক'ত আৰু কেতিয়া হৈছিল?

(ঘ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখন কাৰ নিৰ্দেশত সুকুমাৰ বৰকাথে ৰচনা কৰিছিল? এই পুথিখন কোন শ্ৰেণীৰ সাহিত্যৰ অন্তৰ্গত?

(ঙ) কৈকেয়ীয়ে ৰজা দশৰথৰ পৰা বিচৰা বৰ *দুটা* কি আছিল?

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) মঙ্গলদায়ক হাতীৰ লক্ষণসমূহ কেনে হোৱা উচিত — 'হস্তীবিদ্যাৰ্ণৱ' প্ৰৱন্ধটোৰ আধাৰত আলোচনা কৰা।



(খ) অৰ্জুনৰ বিষাদ যোগৰ কাৰণসমূহ কি পাঠটোৰ আধাৰত আলোচনা কৰা।

(গ) চমু টোকা লিখা ঃ 'চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলি।'

(ঘ) 'গুৰু-সেৱা মাহাত্ম্য' প্ৰৱন্ধত লেখকে কেইজন গুৰুৰ কথা উল্লেখ কৰিছে আৰু তেওঁলোকক পূজা কৰাৰ বিষয়ে কি নিৰ্দেশ দিছে আলোচনা কৰা।

(ঙ) "বোলে বৰাৰ পো, গড় বান্ধি যুঁজিলে সাজ, প্ৰাণৰ সংশয় নাইঃ" – কোনে, কেতিয়া আৰু কি প্ৰসংগত উক্ত কথাষাৰ কৈছিল, বহলাই আলোচনা কৰা।

(চ) চন্দ্ৰকান্ত সিংহই বদন চন্দ্ৰ বৰফুকনলৈ লিখা গোপনীয় পত্ৰখনৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৪=৪০

(ক) 'ৰামৰ বন গমন' পাঠটিৰ আধাৰত কৈকেয়ী আৰু কুঁজী চৰিত্ৰ *দুটা* বিশ্লেষণ কৰা।

(খ) 'গুৰু-শিষ্যৰ মনিকাঞ্চন সংযোগ' পাঠটিৰ আধাৰত মাধৱদেৱৰ গুৰুভক্তিৰ নিদৰ্শন দাঙি ধৰা।

(গ) 'অৰ্জুন-ভঞ্জন' নাট'ৰ অন্তৰ্গত 'নন্দ-যশোদাৰ কলহ' অংশটোৰ কথাখিনি নিজৰ ভাষাৰে খৰচি মাৰি লিখা।

(ঘ) ভট্টদেৱৰ গদ্যশৈলী সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) ৰুক্মিণীয়ে কৃষ্ণলৈ লিখা পত্ৰখনৰ বিষয়বস্তুৰ আভাস দাঙি ধৰি ইয়াৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা।

(চ) বুৰঞ্জীৰ গদ্যশৈলীৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

(ছ) মন্ত্ৰ বুলিলে কি বুজা? মন্ত্ৰ সাহিত্যত ব্যৱহৃত ভাষা আৰু মন্ত্ৰ প্ৰয়োগৰ উদ্দেশ্য সম্পৰ্কে বহলাই আলোচনা কৰা।

(জ) 'অসমৰ ৰণোদ্যম' পাঠটিৰ আধাৰত ৰামসিংহই অসম আক্ৰমণ কৰিবলৈ অহাৰ পিছৰ ঘটনাৱলী বৰ্ণনা কৰা।

---